# অসম লোকসেৱা আয়োগ

## জৱাহৰ নগৰ, খানাপাৰা, গুৱাহাটী-২২

# স্পষ্টীকৰণ

অসম অসামৰিক আৰু সংলগ্ন সেৱাৰ ২৪১ টা পদ পূৰণৰ বাবে অনুষ্ঠিত কৰা সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা ২০১৩ ৰ ফলাফল অসম লোকসেৱা আয়োগে যোৱা ইং ১২/৫/২০১৫ তাৰিখে ঘোষণা কৰাৰ পাচত সংবাদ মাধ্যম সমূহত সৃষ্টি হোৱা বিতৰ্কৰ প্ৰতি আয়োগৰ দৃষ্টিগোচৰ হৈছে। পৰীক্ষা পদ্ধতিৰ অনিয়ম, স্বজন-তোষণ, ৰাজনৈতিক হেঁচা আদি যিবোৰ অভিযোগ আয়োগৰ বিৰুদ্ধে উত্থাপিত হৈছে সেইবোৰ ভিত্তিহীন, কল্পনাপ্ৰসূত আৰু উদ্দেশ্যপ্ৰণোদিত। আয়োগে দৃঢ়তাৰে এই কথা ঘোষণা কৰে যে যদি আয়োগৰ কাম-কাজত সন্দেহৰ অৱকাশ আছে তেন্তে বিধিসন্মতভাৱে নিৰপেক্ষ তদন্তৰ ব্যৱস্থা কৰক। তেনে পদক্ষেপক আয়োগে আন্তৰিকতাৰে স্বাগতম জনাব।

আয়োগে এই কথা পুনৰ দোহাৰে যে অসম লোকসেৱা আয়োগৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অন লাইন পদ্ধতিৰে আবেদন গ্ৰহণ কৰি অসমৰ ২২খন জিলাত সম্পূৰ্ণ স্বচ্ছভাৱে অ'এমআৰ্ ব্যৱস্থাৰে প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল আৰু মূল্যায়ন কাৰ্য কম্পিউটাৰত কৰা হৈছিল। তাত মানুহৰ কোনো হস্তক্ষেপ নাছিল। সেই পৰীক্ষাত অৱতীৰ্ণ হোৱা ৭২০০০ প্ৰাৰ্থীৰ মাজৰ পৰা ২৯৫৪ গৰাকী উত্তীৰ্ণ হৈছিল। মূল লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল গুৱাহাটীৰ বিভিন্ন কেন্দ্ৰত। সুপৰিকল্পিত 'চীট প্লেন', নিৰীক্ষক নিযুক্তি আৰু কেন্দ্ৰৰ মূৰব্বী আৰু আয়োগৰ সদস্যৰ পৰ্যবেক্ষনত লিখিত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে উল্লিখিত দুয়োটা পৰীক্ষাতে 'এডমিট্ কাৰ্ড' আৰু 'এটেণ্ডেন্স শ্বীট'ত প্ৰাৰ্থীৰ ফটো 'স্কেন' কৰা থাকে। গতিকে কোনোবাই কাৰোবাৰ হৈ পৰীক্ষা দিয়াৰ সন্দেহ অমূলক। আনহাতে প্ৰাৰ্থীক যিখন ৩২ পৃষ্ঠাৰ উত্তৰবহী দিয়া হয় সেইখনৰ প্ৰতিটো পৃষ্ঠাতে নাম্বাৰিং কৰা থাকে। অতিৰিক্ত পৃষ্ঠাৰ প্ৰয়োজন হ'লে যি এডিশ্বনেল শ্বীট দিয়া হয় তাৰো নম্বৰ থাকে আৰু কোন প্ৰাৰ্থীক কোন নম্বৰৰ এডিশ্বনেল শ্বীট দিয়া হৈছে সেয়া নিৰীক্ষকজনে লিখি ৰাখে। পৰীক্ষা কেন্দ্ৰৰ কোনটো কোঠালৈ কিমান নম্বৰৰ পৰা কিমান নম্বৰলৈ উত্তৰবহী আৰু এডিশ্বনেল শ্বীট দিয়া হৈছে সেই সকলোবোৰ লিখি ৰখা হয়। লিখিত পৰীক্ষা হয় ১৪০০ নম্বৰৰ। তেনেক্ষেত্ৰত পৰীক্ষা কেন্দ্ৰৰ বাহিৰে অন্য ঠাইত পৰীক্ষাৰ্থীক উত্তৰবহীত উত্তৰ লিখোৱাৰ সন্দেহ কেৱল ভিত্তিহীনেই নহয় কল্পনাপ্ৰসূতও।

পৰীক্ষাৰ শেষত বিভিন্ন কেন্দ্ৰৰ পৰা অহা উত্তৰবহীবোৰৰ ৰোল নম্বৰবোৰ গুচাই 'ক'ড নাম্বাৰ' দিয়া হয় যাতে পৰীক্ষকে কাৰ উত্তৰবহী চিনাক্ত কৰিব নোৱাৰে। সেইদৰে 'ক'ড নাম্বাৰ'ত মূল্যায়নৰ বাবে পৰীক্ষকলৈ প্ৰেৰণ কৰা হয়। পৰীক্ষক সকল হৈছে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অভিজ্ঞতাপুষ্ট সহযোগী অধ্যাপক, অধ্যাপক আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক যি সকলৰ নাম বিশেষজ্ঞৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে। উল্লেখযোগ্য যে এই তালিকাৰ পৰাই প্ৰশ্ন প্ৰস্তুতকৰ্তা, মডাৰেটৰ, মূল্যায়নকৰ্তা, স্ক্ৰুটিনাইজাৰ, টেবুলেটৰ আদি নিয়োগ কৰা হয়। টেবুলেশ্যন শেষ কৰাৰ পাচত কম্পিউটাৰত 'ক'ড নাম্বাৰৰ বিপৰীতে প্ৰাৰ্থীৰ দ্বাৰা প্ৰাপ্ত নম্বৰবোৰ ভৰ্তি কৰা হয়। এই সকলো কাম আয়োগৰ মুখ্য পৰীক্ষা নিয়ন্ত্ৰকৰ তত্বাৱধানত সম্পন্ন কৰা হয় আৰু এই কামসমূহত আয়োগৰ অধ্যক্ষ বা সদস্যৰ কোনো ভূমিকা বা হস্তক্ষেপ নাথাকে। ফলাফল ঘোষণাৰ বাবে অনুষ্ঠিত সভাৰ দহ মিনিট মানৰ আগতে 'ক'ড নাম্বাৰত প্ৰাপ্ত নম্বৰসহ মেধাৰ তালিকাখন মুখ্য পৰীক্ষা নিয়ন্ত্ৰকে দাখিল কৰে। আয়োগে বিধি অনুসৰি ১ঃ২ অনুপাতত উত্তীৰ্ণ ঘোষণা কৰে। সেয়েহে, লিখিত পৰীক্ষাত অৱতীৰ্ণ ২৯৫৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪৯৭ গৰাকীক মৌখিক সাক্ষাৎকাৰলৈ মতা হয়।

সদ্যঘোষিত ফলাফলত যি ২৪১ গৰাকী উত্তীৰ্ণ প্ৰাৰ্থীক আয়োগৰ দ্বাৰা অনুমোদন জনোৱা হ'ল তেওঁলোকৰ শৈক্ষিক অৰ্হতা, চাৰিত্ৰিক দিশ, পিতৃ-মাতৃৰ পৰিচয়, ৰাজনৈতিক হেঁচা আদিক লৈ কৰা অভিযোগ সন্দৰ্ভত আয়োগৰ স্পষ্ট স্থিতি এই যে—

(ক) পৰীক্ষাৰ বাবে আবেদন কৰা কোনো প্ৰাৰ্থীৰে 'ক্ৰিমিনেল ৰেকৰ্ড' পৰীক্ষা কৰাটো আয়োগৰ আওঁতাৰ ভিতৰত নপৰে। কোনো পদৰ বাবে প্ৰাৰ্থীক আয়োগে অনুমোদন কৰিলে 'ক্ৰিমিনেল ৰেকৰ্ড' থকা-নথকাটো পুলিচ অনুসন্ধানৰ যোগেদি নিশ্চিত হোৱাৰ পাচতহে চৰকাৰে নিযুক্তি দিয়ে। তাত লোকসেৱা আয়োগৰ কোনো ভূমিকা নাথাকে।

(খ) অভিযোগ কৰাৰ দৰে অনুমোদিত প্ৰাৰ্থীৰ তালিকা মেধাহীন লোকেৰে ভৰা নাই। উদাহৰণ স্বৰূপে অসম অসামৰিক সেৱাৰ বাবে অনুমোদিত ৯০ গৰাকী প্ৰাৰ্থীৰ ভিতৰত প্ৰৱেশিকাত প্ৰথম বিভাগত পাছ কৰা ৭১, দ্বিতীয় বিভাগত ১৬ আৰু তৃতীয় বিভাগত পাছ কৰা ৩। উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত ৬৩, দ্বিতীয় বিভাগত ২৪ আৰু তৃতীয় বিভাগত পাছ কৰা ৩। ডিগ্ৰীত প্ৰথম বিভাগত ৩৯, দ্বিতীয় বিভাগত ৪৩ আৰু সাধাৰণভাৱে পাছ কৰা ৮। এইদৰে সামগ্ৰিকভাৱে সকলো সেৱাৰ ক্ষেত্ৰত দেখা যায় প্ৰৱেশিকাত প্ৰথম বিভাগত পাছ কৰা ১৮১, দ্বিতীয় বিভাগত ৪৭

আৰু তৃতীয় বিভাগত ১৩ । উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত পাছ কৰা ১৬১, দ্বিতীয় বিভাগত ৭২ আৰু তৃতীয় বিভাগত ৮। আনহাতে ডিগ্ৰীত প্ৰথম বিভাগত ১০৭, দ্বিতীয় বিভাগত ১১০ আৰু সাধাৰণভাৱে পাছ কৰা ২৪।

(গ) আয়োগে কোনো প্ৰাৰ্থীৰ মেধাক তেওঁৰ পিতৃ-মাতৃৰ পৰিচয়ৰ মাপকাঠিৰে নিৰ্ধাৰণ নকৰে। তেনেস্থলত কোনো অপৰাধী বা দাল-দৰিদ্ৰ বা বিষয়া-কৰ্মচাৰী বা মন্ত্ৰী-বিধায়কৰ পুত্ৰ-কন্যা নিজৰ দক্ষতাৰ বলত পৰীক্ষাত উত্তীৰ্ণ হ'লে আয়োগৰ কৰিবলগীয়া একো নাথাকে।

সদৌ শেষত সংবাদ মাধ্যম আৰু বিভিন্ন সংগঠন সমূহলৈ অসম লোকসেৱা আয়োগৰ বিনম্ৰ অনুৰোধ এই যে অহা ৩১ মে', ২০১৫ তাৰিখৰ পৰা অনুষ্ঠিতব্য সংযুক্ত প্ৰতিযোগিতামূলক লিখিত পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা প্ৰাৰ্থী সকলৰ মনত বিৰূপ প্ৰভাৱ পেলাব পৰা যিকোনো পৰিস্থিতি যেন সৃষ্টি নকৰে।

স্বাঃ
সচিব
অসম লোকসেৱা আয়োগ